# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-SEP-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত বানত বুৰ গৈছে। ধনশিৰি আৰু দৈয়াং নৈৰ লগতে উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত জিলাখনৰ গোলাঘাট, খুমটাই, মৰঙী, সৰুপথাৰ আৰু বোকাখাতৰ পাঁচটা ৰাজহ চক্ৰ বানৰ কবলত পৰিছে। জিলাখনৰ ৫৬ খন গাঁৱৰ ৪ হাজাৰ ৫০০ৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। জিলা প্ৰশাসনে ১৫টা আশ্ৰয় শিবিৰ মুকলি কৰিছে। আজি জিলা আয়ুক্ত পুলক মহন্তই সীমান্ত দণ্ডাধীশৰ সৈতে গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ইটানগৰটোপ অঞ্চলত বান পৰিস্থিতিৰ বুজ লয়। বান পীড়িত ৰাইজৰ অৱস্থাৰ বুজ লৈ আয়ুক্তগৰাকীয়ে এন ডি আৰ এফ আৰু  এছ ডি আৰ এফৰ উদ্ধাৰ অভিযান পৰিদৰ্শন কৰে। জিলাখনত আটাইকেইটা ৰাজহ চক্ৰতে চক্ৰ বিষয়াসকলেও আশ্ৰয় শিবিৰসমূহত উপস্থিত হৈ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অভাৱ অভিযোগৰ বুজ লয়। খুমটাই অঞ্চলৰ বিধায়ক মৃণাল শইকীয়াইও সমষ্টিৰ বান পীড়িত সকলৰ উদ্ধাৰ অভিযানত অংশগ্ৰহণ কৰে। শ্ৰীশইকীয়াই বানত ক্ষতিগ্ৰস্ত সকলক সকলো প্ৰকাৰৰ সহায়-সহযোগ কৰাৰ আশ্বাস দিয়ে। জিলা প্ৰশাসনে এই তাৎক্ষণিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাই বাঢ়নি পানীত অপ্ৰয়োজনীয়ভাৱে নাও আদিৰে যাতায়াত নকৰিবলৈ পৰামৰ্শ দিছে। তদুপৰি এনে পৰিস্থিতিত কোনো বৈদ্যুতিক সামগ্ৰী স্পৰ্শ বা মেৰামতি নকৰিবলৈ আহ্বান জনোৱা হৈছে। খোৱাপানীৰ ক্ষেত্ৰতো পৰিষ্কাৰ-পৰিচ্ছন্নতা অৱলম্বন কৰিবলৈ স্বাস্থ্য বিভাগে আহ্বান জনাইছে। যিকোনো জৰুৰীকালীন পৰিস্থিতিত জনসাধাৰণে ০৩৭৭৪-২৮০২২২ আৰু ০৩৬৭৪-২৮১৫২৮ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে। জিলাখনৰ বান পৰিস্থিতিৰ বিতং তথ্যৰ সৈতে এয়া আমাৰ সংবাদদাতা হিৰণ্য গগৈ—

**ভইচ (হিৰণ্য গগৈ)**

ইফালে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰতো চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কেইবাখনো গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে। জিলাখনৰ চেলাইখাটি, মহজুলি বস্তি, নাহৰণি, মিছামাৰী, বৰপথাৰকে ধৰি কেইবাখনো গাঁও বানৰ কবলত পৰিছে। একেদৰে গহপুৰ সমজিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মাজান আৰু ছত্ৰং নৈৰ বাঢ়নি পানীয়ে কালি বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়।  শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ,

আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপানলা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। আজি বিধায়ক পদ্ম হাজৰিকাই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বান পীড়িত সকলক আশ্ৰয় শিবিৰলৈ স্থানান্তৰ কৰাৰ লগতে বিধায়কগৰাকীয়ে খোৱাপানী, আহাৰ আৰু চিকিৎসাৰ ব্যৱস্থা সুনিশ্চিত কৰে।

০০০০০

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই পূজাৰ বাবে ব্যাপক আয়োজন চলিছে। মৃৎ শিল্পীসকলে বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তিত অন্তিম পৰশ দিছে। কাইলৈ পুৱাতে ৰাজ্যৰ বিভিন্ন অঞ্চলত বিশ্বখনিকৰক আৰাধনা কৰা হ'ব। এই পূজাৰ লগে লগে ৰাজ্যখনত শাৰদীয় পূজাৰ পৰিৱেশৰো সূচনা হ'ব। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে হোজাই জিলাত বিশ্বকৰ্মা পূজাৰ প্ৰস্তুতি চলিছে। জিলাখনৰ বজাৰসমূহ আজি পূজাৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰীৰে ভৰি পৰিছে। গুৱাহাটী মহানগৰীতো আজি প্ৰতিকূল বতৰক নেওচি পূজাৰ উপকৰণ ক্ৰয়ৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা দেখা গৈছে। আকাশবাণী গুৱাহাটীৰ চৌহদতো কাইলৈ পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হ'ব।

০০০০০

যোৰহাট ছুইমিং ছ'ছাইটিৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট ক্ৰীড়া সংগঠক দেৱ হাজৰিকাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৭ বছৰ। হাজৰিকাৰ মৃত্যুত যোৰহাটত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত